**Regional News Unit**
Akashvani, Guwahati
0000000000

**Date : 27-03-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

***Headlines***

১। পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাজ্যসমূহৰ প্ৰস্তুতি সন্দৰ্ভত পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰীসকলৰ সৈতে আজি সন্ধিয়া প্ৰধানমন্ত্ৰীৰ বৈঠক।

২। ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহ্বাৰ।

৩। বিধানসভা নিৰ্বাচনৰ বাবে প্ৰতিটো সমষ্টিত শাসক-বিৰোধী উভয় পক্ষৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

আৰু

৪। খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱত অসমৰ মনিখা সোণোৱালৰ সোনৰ পদক অৰ্জন।

০০০০০০০

পশ্চিম এছিয়াৰ যুদ্ধ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দেশত উদ্ভৱ হোৱা ইন্ধন তেল আৰু ৰন্ধন গেছৰ নাটনি সন্দৰ্ভত পৰ্যালোচনাৰ বাবে আজি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন বৈঠকত মিলিত হ'ব। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে সন্ধিয়া ৬ বজাত হ'বলগীয়া এই বৈঠকত ৰাজ্যসমূহৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰা হ'ব। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি এই বৈঠকত টীম ইণ্ডিয়া হিচাপে সহযোগিতাৰে সকলোৰে কাম কৰাত গুৰুত্ব দিয়া হ'ব। অৱশ্যে নিৰ্বাচন হ'বলগীয়া পাঁচখন ৰাজ্যৰ মুখ্যমন্ত্ৰীসকল নিৰ্বাচনী অধিসূচনা জাৰি হৈ থকাৰ বাবে বৈঠকখনত উপস্থিত থাকিব নোৱাৰিব। এই পাঁচখন ৰাজ্যৰ মুখ্য সচিবসকলে বৈঠকত প্ৰতিনিধিত্ব কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিম এছিয়াৰ সংঘাত আৰু ভাৰতৰ স্থিতি সন্দৰ্ভত সংসদৰ দুয়োখন সদনত বক্তব্য আগবঢ়াইছিল। শ্ৰীমোদীয়ে কৈছিল যে চৰকাৰে পেট্ৰ'ল-ডিজেল, ৰন্ধন গেছ আৰু সাৰৰ নিয়মীয়া যোগান নিশ্চিত কৰাৰ বাবে কাম কৰি আছে।

০০০০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি স্পষ্ট কৰি দিয়ে যে দেশত পুনৰ লকডাউনৰ দৰে পৰিস্থিতি হ'ব বুলি ওলোৱা বাতৰি সম্পূৰ্ণ মিছা আৰু চৰকাৰে এনে কোনো প্ৰস্তাৱ সন্দৰ্ভত চিন্তা-চৰ্চা কৰা নাই। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীপুৰীয়ে কয় যে সাম্প্ৰতিক বৈশ্বিক পৰিস্থিতিত চৰকাৰে সুক্ষ্মভাৱে শক্তি, যোগান শৃংখল আৰু নিত্য-ব্যৱহাৰ্য সামগ্ৰীৰ উপলভ্যতা সন্দৰ্ভত পৰ্যবেক্ষণ কৰি আছে। তেওঁ আশ্বাস দিয়ে যে দেশত ইন্ধন, শক্তি আৰু অন্যা যোগান স্বাভাৱিক কৰি ৰাখিবলৈ চৰকাৰে সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰত যিকোনো প্ৰত্যহ্বান গ্ৰহণ কৰিবলৈ সাজু বুলি মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। শ্ৰীপুৰীয়ে লগতে সকলোকে ধৈৰ্যশীল, দায়িত্বশীল আৰু একক হৈ থাকিবলৈ আহ্বান জনায়।

০০০০০০০

ৰাজ্যৰ আসন্ন বিধান সভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰৰ কালি অন্তিম দিনা ৬৭ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। ইয়াৰ লগে লগে এইবাৰৰ নিৰ্বাচনত মুঠ ৭২২ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ

হোৱাটো নিশ্চিত হয়। ইয়াৰ পূৰ্বে মনোনয়ন পত্ৰ পৰীক্ষাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ বিবেচিত হৈছিল।

চি পি আইয়ে **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। সমষ্টিটোৰ বাবে চি পি আইৰ হৈ মদন বৰুৱাই মনোনয়ন দাখিল কৰিছিল। কালি বিয়লি এখন সংবাদমেল যোগে এই কথা প্ৰকাশ কৰি দলটোৱে শিৱসাগৰত বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী অখিল গগৈলৈ সমৰ্থন আগবঢ়াব বুলি স্পষ্ট কৰে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। মনোনয়ন প্ৰত্যাহাৰ কৰা আটাইকেইগৰাকী প্ৰাৰ্থী বিজনী বিধানসভা সমষ্টিৰ নিৰ্দলীয় প্ৰাৰ্থী আছিল বুলি আমাৰ সংবাদদাতাই জনাইছে। সমষ্টিটোত মুঠ ১৭ গৰাকীয়ে প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছিল।

**নলবাৰী** জিলাত দুগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। জিলাখনৰ নলবাৰী, বৰক্ষেত্ৰী আৰু টিহু সমষ্টিৰ পৰা মুঠ ১৪ জন প্ৰাৰ্থীয়ে নিৰ্বাচনত অৱতীৰ্ণ হ'ব।

**নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। **কামৰূপ** মহানগৰ জিলাৰ ডিমৰীয়া সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। জিলাখনৰ ৫টা সমষ্টিত মুঠ ২৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। **শ্ৰীভূমি** জিলাত কালি ৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **বিশ্বনাথ** জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে এগৰাকীকৈ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিছে।

ইপিনে, বিধি বলৱৎকাৰী সংস্থাসমূহে মুক্ত আৰু নিকা নিৰ্বাচন সুনিশ্চিত কৰাৰ উদ্দেশ্যে ৰাজ্যৰ বিভিন্ন স্থানত অভিযান তীব্ৰতৰ কৰি তুলিছে। এই সংস্থাসমূহে ১৫ৰ পৰা ২৬ মাৰ্চলৈ চলোৱা অভিযানত নগদ ধন, সুৰা, মাদক দ্ৰব্য আৰু মূল্যবান ধাতুসহ ৩৭ কোটিৰো অধিক টকা মূল্যৰ সামগ্ৰী জব্দ কৰিছে।

ooooo

বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বিহপুৰীয়াত বিজেপি প্ৰাৰ্থী ভূপেন বৰাৰ সমৰ্থনত প্ৰচাৰ চলায়। ড° শৰ্মাই ইয়াৰ পাছত ৰঙানদী, ঢকুৱাখনা আৰু নাওবৈচা সমষ্টিত বিজেপি প্ৰাৰ্থী তথা এন ডি এ সমৰ্থিত প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। তেওঁ লগতে লখিমপুৰত দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা ৰোড শ্ব'ত ভাগ ল'ব। কাৰ্বি আংলঙৰ ৰংখাং সমষ্টিত আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তুলিৰাম ৰংহাঙে বোকাজানত প্ৰচাৰ চলায়। একেদৰে বিশ্বনাথ সমষ্টিৰ বিজেপি প্ৰাৰ্থী পল্লৱ লোচন দাসেও আজি প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰে। শিৱসাগৰ সমষ্টিত বিজেপি প্ৰাৰ্থী কুশল দুৱৰী, ৰঙিয়াত ভৱেশ কলিতাই প্ৰচাৰ চলাইছে।

কংগ্ৰেছৰ ৰাজ্যিক সভাপতি তথা যোৰহাট সমষ্টিৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে কালি যোৰহাট জিলাৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। তেওঁ টীয়কত কংগ্ৰেছ প্ৰাৰ্থী পল্লৱী গগৈৰ সমৰ্থনত প্ৰচাৰ চলায়। ডিব্ৰুগড়ৰ খোৱাং সমষ্টিত অসম জাতীয় পৰিষদৰ প্ৰাৰ্থী লুৰিণ জ্যোতি গগৈয়ে কালি প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে, বিজেপি, অগপ আৰু কংগ্ৰেছে প্ৰচাৰৰ বাবে ৪০ জনকৈ তাৰকা প্ৰচাৰকৰ নামৰ তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১, ৫ আৰু ৬ এপ্ৰিলত নিৰ্বাচনী সভাত অংশ ল'ব। শ্ৰী মোদীয়ে ৫ এপ্ৰিলত মৰাণত এখন নিৰ্বাচনী সভাত অংশ লোৱাৰ সম্ভাৱনা আছে।

গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ আৰু পৰহিলৈ নিৰ্বাচনী প্ৰচাৰ চলাব। একেদৰে ২৯ আৰু ৩০ মাৰ্চত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে কেইবাখনো নিৰ্বাচনী সভাত অংশ ল'ব বুলি জানিব পৰা গৈছে।

কংগ্ৰেছেও কেইবাগৰাকী তাৰকা-প্ৰচাৰকৰ দ্বাৰা নিৰ্বাচনী প্ৰচাৰ চলাব। দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গে, দলৰ নেতা ৰাহুল গান্ধী, প্ৰিয়ংকা গান্ধী, জয়ৰাম ৰমেশ, শচীন পাইলট, ভূপেশ বাঘেলকে ধৰি ভালেসংখ্যক জ্যেষ্ঠ নেতাই ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলাব বুলি দলীয় সূত্ৰই প্ৰকাশ কৰিছে।

আম আদমী পাৰ্টিয়েও কালি তাৰকা প্ৰচাৰকৰ তালিকা প্ৰকাশ কৰিছে। আপৰ নেতা অৰবিন্দ কেজৰিৱাল, মনীষ চিচ'ডিয়া, ভগৱন্ত সিং মান, আটিশীকে ধৰি ৪০ জন তাৰকা প্ৰচাৰকে দলটোৰ হৈ ৰাজ্যত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সম্ভাৱনা আছে।

০০০০

নলবাৰী জিলাত নিৰ্বাচনৰ কাম-কাজত গাফিলতি কৰা ১৮ গৰাকী বিষয়া-কৰ্মচাৰীলৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰা হৈছে। নলবাৰী জিলা নিৰ্বাচনী বিষয়া নিবেদন দাস পাটোৱাৰীয়ে এটা নিৰ্দেশযোগে বিষয়া-কৰ্মচাৰীসকলক ২৪ ঘণ্টাৰ ভিতৰত তেওঁলোকৰ গাফিলতিৰ কাৰণ দৰ্শাবলৈ নিৰ্দেশ দিছে।

০০০০০০০

ৰাজ্যত আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰণালীবদ্ধ ভোটাৰ শিক্ষা আৰু নিৰ্বাচনী প্ৰক্ৰিয়াত অংশগ্ৰহণ কাৰ্যসূচীৰ অধীনত বিশেষ পদক্ষেপ লোৱা হৈছে। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ তত্বাৱধানত ভোটদানৰ হাৰ বৃদ্ধি আৰু নাগৰিকসকলৰ গণতান্ত্ৰিক মৌলিক অধিকাৰ তথা দায়িত্বৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**ওদালগুৰি** জিলাত এনে কাৰ্যসূচীৰ অধীনত ওদাল নামৰ শুভংকৰ আৰু সুকীয়া ছুইপ বাহন মুকলি কৰা হৈছে। ইয়াৰ উপৰি জিলাখনৰ বিভিন্ন মহাবিদ্যালয় আৰু পূৰ্বৰ নিৰ্বাচনৰ ভোটদানৰ হাৰ কম হোৱা কেন্দ্ৰসমূহত বিশেষকৈ যুৱ আৰু প্ৰথমবাৰৰ বাবে ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিবলৈ ওলোৱা ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ ব্যৱস্থা কৰা হৈছে।

**লখিমপুৰ** জিলাত অংগনবাড়ী কৰ্মীসকলৰ সহযোগত মহিলা আৰু শিশু বিকাশ বিভাগে চুনাৱ পাঠশালা নামৰ বিশেষ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰিছে। এই কাৰ্যসূচীৰ জৰিয়তে জ্যেষ্ঠ নাগৰিক, দিব্যাংগ ব্যক্তি আৰু মাতৃসকলৰ মাজত বিবেক ভোট সন্দৰ্ভত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে।

একেদৰে **মৰিগাঁও** জিলাতো চুনাৱ পাঠশালাৰ অধীনত বিশেষ উদ্দেশ্যত ছেল্‌ফি, ভোটদাতাৰ সমূহীয়া সংকল্প পাঠৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি চুটি বাটৰ নাটৰ জৰিয়তেও সজাগতা সৃষ্টি কৰা হৈছে। জিলাখনত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক ভোটদানৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ উদ্দেশ্যে আজি বাতৰি পৰিৱেশন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

**শিৱসাগৰ** জিলাত যুৱ ভোটদাতা তথা প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া ভোটদাতাসকলক উদ্দেশ্যি ছুইপ কাৰ্যসূচীৰ অধীনত ভালেমান সৃষ্টিশীল আৰু আকৰ্ষণীয় পদক্ষেপ লোৱা হৈছে। জিলাখনত কপৌফুল নামেৰে নিৰ্বাচনী শুভংকৰ মুকলি কৰা হৈছে।

০০০০০০০

শিৱসাগৰ নগৰৰ সমীপৰ কোঁৱৰপুৰ অঞ্চলৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ দিখৌ নদীৰ ওপৰত থকা গেমন দলঙৰ মাজৰ এটা অংশ আজি পুৱতি নিশা ভাগি পৰাত ঘাইপথটোৰে সকলো ধৰণৰ যাতায়াত সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে, মেৰামতিৰ কাম চলি থকা

দলংখনত পুৰতি নিশা এখন ডাম্পাৰ পাৰ হোৱাৰ পাছতে মাজৰ অংশটো ভাগি পৰে। এই ঘটনাত কোনো লোক হতাহত হোৱা নাই।

০০০০০০০

ছত্তিশগড়ত চলি থকা খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱৰ কালি দ্বিতীয় দিনা সাঁতোৰ, ভাৰোত্তোলন, হকী আৰু ফুটবলৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। ভাৰোত্তোলনত অসমৰ মনিখা সোণোৱালে ৪৮ কিলোগ্ৰাম ওজন শাখাত সোনৰ পদক লাভ কৰাৰ বিপৰীতে মিজোৰামৰ ইছাক মলছাৱমতলুৱাংগাই ৬০ কিলোগ্ৰাম ওজন শাখাত সোনৰ পদক অৰ্জন কৰে।

কৰ্ণাটকৰ মনিকান্ত এল এ সাঁতোৰৰ ২০০ মিটাৰ ব্যক্তিগত মেডলে শিতানত সোণৰ পদক লাভ কৰে। ইয়াকে লৈ খেলুৱৈগৰাকীয়ে একেৰাহে তিনিটা সোণৰ পদক জয়ৰ কৃতিত্ব অৰ্জন কৰে।

০০০০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আয়ে ২০২৬ বৰ্ষৰ আই পি এলৰ দ্বিতীয় পৰ্যায়ৰ সূচী জাৰি কৰিছে। প্লে অব পৰ্যায়ৰ খেলসমূহ অনুষ্ঠিত হ'বলগীয়া ঠাইসমূহৰ সবিশেষ পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব। দ্বিতীয় পৰ্যায়ত বাংগালুৰু, মুম্বাই, চেন্নাই, কলকাতা আৰু দিল্লীকে ধৰি দেশৰ বিভিন্ন প্ৰান্তৰ ১২ খন চহৰত ১৩ এপ্ৰিলৰ পৰা ২৪ মে'লৈ ৫০ খন খেল অনুষ্ঠিত হ'ব। হায়দৰাবাদত হ'বলগীয়া এই পৰ্যায়ৰ প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। আই পি এলৰ প্ৰথম পৰ্যায় কাইলৈ আৰম্ভ হ'ব। বেংগালুৰুৰ এম ছিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এই পৰ্যায়ৰ প্ৰথমখন খেলত যোৱাবাৰৰ চেম্পিয়ন ৰয়েলছ ছেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

**সমাপ্ত**